জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৭৫/২০২০

# মুখ্যমন্ত্ৰী সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ল অসম অলিম্পিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভা

# গুৱাহাটীত অলিম্পিক ভৱন নিৰ্মাণ কৰা হ'ব

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসম অলিম্পিক সন্থাই ৰাজ্যখনৰ আওঁহতীয়া অঞ্চলসমূহক সামৰি সকলো অঞ্চলেৰে ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰি এই ক্ৰীড়া প্ৰতিভাসমূহক বিকশাই তোলাৰ বাবে দৃঢ় পদক্ষেপ ল'ব লাগিব যাতে ৰাজ্যখনে ক্ৰীড়াৰ দিশত উজলি উঠিব পাৰে। আজি মহানগৰীৰ দেশভক্ত তৰুণৰাম ফুকন ইণ্ডʼৰ ষ্টেডিয়ামত অসম অলিম্পিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভাত সভাপতিত্ব কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ ৩.৫ কোটি জনসাধাৰণৰ মাজৰ পৰা ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰাৰ বাবে অসম অলিম্পিক সন্থাই পদক্ষেপ ল'ব লাগিব যাতে ৰাজ্যখনে ক্ৰীড়াৰ দিশত সৰ্বোচ্চ স্থান দখল কৰিব পাৰে। বিজ্ঞান আৰু প্ৰযুক্তিৰ এই প্ৰতিযোগিতামুখী বাতাবৰণত অসম অলিম্পিক সন্থাই খেলুৱৈসকলৰ পাৰদৰ্শিতা বৃদ্ধিৰ বাবে প্ৰযুক্তিগত কৌশল প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব যাতে খেলুৱৈসকলে যিকোনো ক্ৰীড়াংগণত মেডেলপ্ৰাপ্ত হ'বলৈ সক্ষম হয়। আজিৰ বাৰ্ষিক সাধাৰণ সভাতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত অলিম্পিক ভৱন নিৰ্মাণ কৰা হ'ব বুলিও কয়। এই ভৱন চৌহদতে সকলোবোৰ ক্ৰীড়াৰ কাৰ্যালয় সংহত কৰাৰ পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে তৃণমূল পৰ্যায়লৈকে ক্ৰীড়াক লৈ যোৱাৰ বাবে গ্ৰাম্য অলিম্পিক অনুষ্ঠিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সকলো বয়সৰ লোককে ক্ৰীড়াৰ সৈতে জড়িত কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে শিশুসকলক শৈশৱৰ পৰাই ক্ৰীড়াৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী আৰু পিতৃ-মাতৃসকলে দায়িত্ব গ্ৰহণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসম অলিম্পিক সন্থাৰ এখন নিউজ লেটাৰ আৰু এটা ৱেবছাইটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

আজিৰ এই বাৰ্ষিক সাধাৰণ সভাত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ উপ-সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্য, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ উপ-সভাপতি পীযুষ হাজৰিকা, ৰাজ্য সভাৰ সাংসদ তথা অসম অলিম্পিক সন্থাৰ উপ-সভাপতি ভূৱনেশ্বৰ কলিতা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, কোষাধ্যক্ষ তপন কুমাৰ দাস আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

**সুঃদঃ/ বঃভাঃ**
**২১/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in